# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 10-07-2024
**Time :** 0900 Hrs

## *Assamese Morning Bulletin*

- - - - - - - - - - - - - - - - - - - - - -

১। রাজ্যৰ বান পৰিস্থিতি উন্নত হৈছে যদিও ২৬ খন জিলাৰ ১৭ লক্ষাধিক লোক এতিয়াও বানৰ কবলত। শেহতীয়া ২৪ ঘণ্টাত ৭ গৰাকী লোকৰ মৃত্যু, এগৰাকী লোক সন্ধানহীন।

২। অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যত বতৰ বিজ্ঞান বিভাগৰ মুষলধাৰ বৰষুণৰ আশংকা।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ৰাছিয়াৰ সৰ্বোচ্চ অসামৰিক সন্মান **অৰ্ডাৰ অৱ ছেইণ্ট এণ্ড্ৰিউ দ্য এপষ্টল** প্ৰদান। আজি ভিয়েনাত প্ৰবাসী ভাৰতীয় সকলৰ সৈতে মত-বিনিময়।

**আৰু**

৪। পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলত আজি ভাৰত জিম্বাব্‌ৱেৰ মুখামুখি।

০০০০০

রাজ্যত বান পৰিস্থিতি কিছু উন্নত হৈছে যদিও এতিয়াও ২৬ খন জিলাৰ ১৭ লাখৰো অধিক লোক বানৰ কবলত আছে। ৯০ টা ৰাজহ চক্ৰৰ ২ হাজাৰ ৭০০ ৰো অধিক গাঁৱৰ বিস্তীৰ্ণ অঞ্চল বানত বুৰ গৈ আছে। এই বানত ৩৯ হাজাৰ হেক্টৰতকৈ অধিক কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। যোৱা ২৪ ঘণ্টাত বানৰ ফলত পুনৰ ৭ জন লোকে প্ৰাণ হেৰুওৱাত শেহতীয়া বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৭৯ লৈ বৃদ্ধি পাইছে। বানৰ ফলত যোৱা ২৪ ঘণ্টাত ৯৪ টা পথ আৰু ৩খন দলঙৰ লগতে অন্যান্য আন্তগাঁঠনিৰ ক্ষতি হৈছে। ইপিনে, যোৱা দুদিন ধৰি বতৰ ফৰকাল হোৱাৰ পৰিপ্ৰেক্ষিতত কোনো কোনো অঞ্চলত পানী কিছু হ্ৰাস পাইছিল যদিও কালি দিনৰ ভাগত গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ বিভিন্ন অঞ্চলত ধাৰাসাৰ বৰষুণৰ ফলত পুনৰ বান পৰিস্থিতিৰ সৃষ্টি হয়। আনহাতে, হাতীমূৰাৰ বান্ধ ভাগি কলঙেৰে ব্ৰহ্মপুত্ৰৰ পানী সোমাই অহাৰ পিছৰে পৰা নগাঁও জিলাৰ বান পৰিস্থিত অধিক জটিল হৈ পৰিছে। ব্ৰহ্মপুত্ৰৰ পানী নগাঁও চহৰৰ দিশে অগ্ৰসৰ হোৱাত পুৰণি গুদাম, চামগুৰিৰ লগতে চহৰখনৰ ন-ন অঞ্চল বানৰ কবলত পৰিছে। বানপানীৰ ফলত কাজিৰঙাত এতিয়ালৈকে বন্যপ্ৰাণীৰ মৃত্যুৰ সংখ্যা ১৩৮টালৈ বৃদ্ধি পোৱাৰ লগতে ৭১টা বন শিবিৰ বানৰ কবলত পৰিছে। ইফালে, কৰিমগঞ্জ জিলাৰ বতৰৰ পৰিস্থিতি উন্নত হোৱাৰ লগতে জিলাখনৰ বিভিন্ন নদীৰ জলপৃষ্ঠ হ্ৰাস পোৱাৰ লগে লগে কৰিমগঞ্জ জিলা আয়ুক্তই যোৱা মঙলবাৰে এটা নিৰ্দেশ জাৰি কৰি কৰিমগঞ্জ জিলাৰ চৰকাৰী আৰু ব্যক্তিগত শিক্ষানুষ্ঠান বন্ধ কৰাৰ নিৰ্দেশ বাতিল কৰিছে। আনহাতে, ৰাজ্যখনৰ বিভিন্ন জিলা প্ৰশাসনে স্থাপন কৰা ২৪০ টা আশ্ৰয় শিবিৰত ৪৮ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে। ২৬৭ টা সাহায্য বিতৰণ কেন্দ্ৰত

অত্যাৱশ্যকীয় সামগ্ৰী, ঔষধ আদি বিতৰণ কৰা হৈছে। এন ডি আৰ এফ আৰু এছ্ ডি আৰ এফৰ লোকে বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহত উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে।

বান ক্ষতিগ্ৰস্ত অসমত সাহায্য আৰু পুনৰসংস্থাপনত সহায় হোৱাকৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শীঘ্ৰেই বিশেষ পেকেজ ঘোষণা কৰিব বুলি কেন্দ্ৰীয় শক্তি, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী মনোহৰ লালে কালি গুৱাহাটীত প্ৰকাশ কৰিছে। উত্তৰ-পূবৰ শক্তি আৰু নগৰ উন্নয়ন মন্ত্ৰীসকলৰ সৈতে গুৱাহাটীত আয়োজিত বৈঠকত অংশ লোৱাৰ পাছত মন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ আগত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে অসমৰ বান ক্ষতিগ্ৰস্ত লোকসকলক সহায়ৰ বাবে কেন্দ্ৰীয় চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ লগতে কয় যে ৰাজ্যখনত বানত হোৱা ক্ষয়-ক্ষতিৰ মূল্যায়ন অব্যাহত আছে আৰু প্ৰধানমন্ত্ৰীয়ে এই মূল্যায়ন সম্পন্ন হোৱাৰ পাছতেই পেকেজ ঘোষণা কৰিব।

আনহাতে, চুবুৰীয়া ৰাষ্ট্ৰ ভূটানৰ পৰা বৈ অহা কানামাক্ৰা নৈৰ বাঢ়নী পানী আৰু খহনীয়াৰ ফলত খুংখাঝৰা গাঁৱৰ উপৰি দৈচোমগুৰি, গুবদাপাৰা, চামথাইবাৰী অঞ্চলত বিস্তৰ ক্ষতিগ্ৰস্ত হৈছে। কালি মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম আৰু সাংসদ জয়ন্ত বসুমতাৰীয়ে চিৰাঙৰ বানাক্ৰান্ত অঞ্চল পৰিদৰ্শন কৰাৰ লগতে আশ্ৰয় শিবিৰত থকা লোকসকলৰ সৈতে মত-বিনিময় কৰাৰ লগতে বানত ক্ষতিগ্ৰস্ত হোৱা কেইবাটাও পৰিয়ালক বি-টি-চিৰ প্ৰশাসনৰ পৰা ২৫ হাজাৰ টকাৰ চেক প্ৰদান কৰে।

ooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসমকে ধৰি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত অহা ২-৩ দিন ধৰি মুষলধাৰ বৰষুণৰ আগলি বতৰা দিছে। বতৰ বিজ্ঞান বিভাগৰ তথ্য অনুসৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ লগতে পশ্চিমবংগ, অৰুণাচল প্ৰদেশ, ওড়িশা, মহাৰাষ্ট্ৰ, কৰ্ণাটক, গুজৰাট আদিতো এই সময়ছোৱাত যথেষ্ঠ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। বিশেষকৈ মধ্য ভাৰতত অহা ৪ দিনলৈ বিজুলী-ঢেৰেকণিৰ লগতে বৰষুণ অব্যাহত থাকিব বুলি বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে।

oooooooo

ৰাছিয়া আৰু অষ্ট্ৰিয়া ভ্ৰমণলৈ যোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কালি ৰাছিয়াৰ সৰ্বোচ্চ অসামৰিক সন্মান **অৰ্ডাৰ অৱ ছেইণ্ট এণ্ড্ৰিউ দ্য এপষ্টল** আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়। দেশখনৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে শ্ৰীমোদীক এই সন্মান প্ৰদান কৰে। ভাৰত আৰু ৰাছিয়াৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক বৃদ্ধিত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক এই সন্মান আগবঢ়োৱা হৈছে। দুদিনীয়া ভ্ৰমণসূচীৰে মস্কোত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী মোদীয়ে কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ পাছত কালি বিয়লি ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিনৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়। আনহাতে শ্ৰীমোদীয়ে মস্কোত কালি প্ৰবাসী ভাৰতীয় সকলৰ সৈতেও মত বিনিময় কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দ্বিদেশীয় ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত কালি অষ্ট্ৰিয়াৰ ৰাজধানী ভিয়েনাত উপস্থিত হয়। দুদিনীয়া ৰাছিয়া ভ্ৰমণ সামৰি দেশখনত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী মোদীক ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলে বিপুলভাৱে আদৰণি জনায়। বিগত ৪১ বছৰত এয়া কোনো এগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথম অষ্ট্ৰিয়া ভ্ৰমণ। শ্ৰীমোদীয়ে আজি অষ্ট্ৰিয়াৰ ৰাষ্ট্ৰপতি আলেকজেণ্ডাৰ ৱান ডেৰ বেলেনক সাক্ষাৎ কৰিব আৰু চেন্সেলৰ কাৰ্ল নেহমৰৰ সৈতে আলোচনাত মিলিত হ'ব। প্ৰধানমন্ত্ৰী মোদী আৰু চেন্সেলৰ নেহমৰে ভাৰত আৰু অষ্ট্ৰিয়াৰ বিশিষ্ট ব্যৱসায়ীসকলক সম্বোধন কৰিব। শ্ৰীমোদীয়ে ভিয়েনাত ভাৰতীয় সম্প্ৰদায়ৰ সদস্যসকলৰ সৈতেও মত-বিনিময় কৰিব। যোৱা নিশা শ্ৰীমোদীয়ে চেন্সেলৰগৰাকীয়ে আয়োজন কৰা নৈশভোজত অংশগ্ৰহণ কৰে।

ইপিনে ভাৰত আৰু ৰাছিয়াই ২০৩০ চনলৈকে এহেজাৰ কোটি ডলাৰৰ বাণিজ্যিক লক্ষ্য স্থিৰ কৰিবলৈ সন্মতি প্ৰকাশ কৰিছে। দুয়োখন দেশে ভিন ভিন ক্ষেত্ৰত সহযোগিতাৰ বাবে ৯খন চুক্তিত স্বাক্ষৰ কৰিছে। ইয়াৰ ভিতৰত পৰিৱেশ আৰু জলবায়ু পৰিৱৰ্তন, মানচিত্ৰ বিজ্ঞান, ধ্ৰুৱীয় গৱেষণা, বিনিয়োগ, বাণিজ্য আৰু ভেষজ অন্যতম। নতুন দিল্লী আৰু মস্কো মহলে লগতে প্ৰসাৰ ভাৰতী আৰু টিভি ন'ৰ'ষ্টিৰ মাজত প্ৰচাৰ ক্ষেত্ৰত সহযোগিতাৰ অৰ্থে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। মস্কোত কালি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত বিদেশ সচিব বিনয় মোহন কোৱাট্ৰাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ভ্লাডিমিৰ পুটিনৰ মাজত হোৱা বৈঠকত ঘাইকৈ অৰ্থনৈতিক সহযোগিতাৰ বিষয় লৈ আলোচনা হয়। আলোচনাত ৰাজনৈতিক আৰু অৰ্থনৈতিক ক্ষেত্ৰ, ব্যাপক বাণিজ্য, মূলধনী সম্পৰ্ক, শক্তি, বিজ্ঞান আৰু প্ৰযুক্তি সহযোগিতা, প্ৰতিৰক্ষা আৰু সুৰক্ষা খণ্ডত দুয়ো দেশৰ মাজত সহযোগিতাৰ বিভিন্ন দিশ সামৰি লোৱা হয়।

ooooo

দেশৰ সাতখন ৰাজ্যৰ ১৩টা বিধানসভা সমষ্টিৰ বাবে আজি উপ-নিৰ্বাচন অনুষ্ঠিত হৈছে। পশ্চিম বংগৰ ৰায়গঞ্জ, ৰাণাঘাট দক্ষিণ, বাগদা আৰু মানিকতলা, হিমাচল প্ৰদেশৰ হামিৰপুৰ, নালাগড়, উত্তৰাখণ্ডৰ আমৰৱাৰা, মেংগালোৰ, বিহাৰৰ ৰূপোলি, মধ্যপ্ৰদেশৰ অমৰৱাৰা, তামিলনাডুৰ বিক্ৰৱন্দী আৰু পঞ্জাবৰ পশ্চিম জলন্ধৰ আসনৰ বাবে উপ-নিৰ্বাচন অনুষ্ঠিত হৈছে। অহা শনিবাৰে আটাইকেইটা সমষ্টিৰ বাবে ভোটগণনা কৰা হ'ব।

ooooo

ৰাজ্য চৰকাৰৰ প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত মহাবিদ্যালয়, বিশ্ববিদ্যালয়লৈ বিনামূলীয়া নামভৰ্তিৰ ধন বিতৰণৰ প্ৰথম পৰ্যায়ৰ অনুষ্ঠান আজি অনুষ্ঠিত হ'ব। এই উপলক্ষে দিছপুৰৰ লোকসেৱা ভৱনত বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই কাৰ্যসূচীত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱেও অংশগ্ৰহণ কৰিব। প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত মুঠ ৩৪৯খন মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ক ৬৮ কোটি ৪৪ লাখ টকা আদায় দিয়া হ'ব। এই আঁচনিৰ অধীনত ৯৪ হাজাৰ ৮৩৮ গৰাকী ছাত্ৰ-ছাত্ৰী উপকৃত হ'ব। এই আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ ধন ছেপ্তেম্বৰত আদায় দিয়া হ'ব।

ooooo

আজি ৰাষ্ট্ৰীয় মীন পালক দিৱস। ১৯৫৭ চনৰ ১০ জুলাইত ভাৰতৰ দুগৰাকী বিজ্ঞানীয়ে মীন পালন ক্ষেত্ৰখনলৈ আগবঢ়াই থৈ যোৱা অনবদ্য অৱদানৰ স্মৃতি যুগমীয়া কৰাৰ লগতে দেশৰ প্ৰতিগৰাকী মীন পালক আৰু ভাৰতৰ মীন খণ্ডক সমৃদ্ধ কৰা সকলো বিজ্ঞানী তথা মৎস্য বিশেষজ্ঞলৈ ৰাজহুৱাকৈ ধন্যবাদ জ্ঞাপন কৰাৰ উদ্দেশ্যে ২০০১ চনৰ পৰা প্ৰতি বছৰে ১০ জুলাইৰ দিনটো ৰাষ্ট্ৰীয় মীন পালক দিৱস হিচাপে সমগ্ৰ দেশজুৰি পালন কৰি অহা হৈছে। অসমকো মৎস্য উৎপাদনৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল ৰাজ্য হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে মীন বিভাগে প্ৰধানমন্ত্ৰী মৎস্য সম্পদা যোজনা, গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজি, মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা, মীন ক্ষেত্ৰত জড়িত লোকৰ বাবে বিশেষ কে-চি-চি ঋণৰ ব্যৱস্থা আদি কেইবাখনো আঁচনি ৰূপায়ণ কৰিছে। মীন পালক দিৱস উপলক্ষে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু মীন পৰিবহন আদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

ooooo

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান** অসমতো অব্যাহত আছে। এই অভিযানৰ অংশ হিচাপে জিলাই জিলাই বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা

আৰু উন্নয়ন খণ্ডসমূহত মূলতঃ প্ৰথম তিনি মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা, সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ হাৰ, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ছয়েল হেল্‌থ কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মনিৰ্ভৰশীল গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ, বিদ্যুত যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। তিনি মাহজোৰা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

ooooo

মহিলা আৰু শিশু উন্নয়ন বিভাগৰ অধীনৰ জিলা পৰ্যায়ৰ মহিলা সবলীকৰণ কেন্দ্ৰ, মৰিগাঁও আৰু পোষণ অভিযান, মৰিগাঁৰৰ উদ্যোগত মিছন শক্তি আৰু পৰিপুষ্টি বিষয়ক জিলা পৰ্যায়ৰ সমন্বয় সমিতিৰ এখন বৈঠক কালি মৰিগাঁৰৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। সভাত মৰিগাঁও জিলাৰ বাল্য বিবাহৰ ঘটনা ৰোধ কৰাৰ ক্ষেত্ৰত বিভিন্ন বিভাগত কৰণীয় সন্দৰ্ভত আলোচনা কৰা হয়। ইয়াৰ উপৰি সভাত মহিলা আৰু কন্যা শিশুৰ সুৰক্ষা আৰু সবলীকৰণৰ লগতে বিকাশৰ ওপৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰা মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ৰ এখন গুৰুত্বপূৰ্ণ আঁচনি মিছন শক্তি সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়।

ooooo

ভাৰত আৰু জিম্বাব'ৱেৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল আজি হাৰাৰে স্প'ৰ্টছ ক্লাবত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি চাৰে ৪ বজাত আৰম্ভ হ'ব। শৃংখলাত দুয়োটা দলে একোখনকৈ খেলত জয়লাভ কৰিছে। শুভমন গীল নেতৃত্বাধীন ভাৰতীয় যুৱ দলটোৱে আজিৰ খেলখনত জয়লাভ কৰি শৃংখলাত অগ্ৰগতি লাভৰ চেষ্টা চলাব।

ইপিনে, ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ বি-চি-চি-আয়ে জিম্বাব'ৱে ক্ৰিকেট আৰু জিম্বাব'ৱে পৰ্যটনৰ সহযোগত ভাৰতীয় ক্ৰিকেট দলৰ সদস্য আৰু তেওঁলোকৰ পৰিয়ালৰ বাবে কালি হাৰাৰেত বন্যপ্ৰাণী ভ্ৰমণৰ আয়োজন কৰে। বি-চি-চি-আয়ে সামাজিক মাধ্যমত এই ভ্ৰমণৰ ফটো আপলোড কৰিছে।

ooooo

ভাৰতীয় মহিলা ক্ৰিকেট দলে কালি চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত টি-২০ ক্ৰিকেট শংখলাৰ তিনিখনীয়া তৃতীয় তথা অন্তিমখন খেলত দক্ষিণ আফ্ৰিকাক ১০ উইকেটত পৰাস্ত কৰে। ভাৰতে ৮৫ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১০ অভাৰ আৰু ৫টা বলত এটাও উইকেট নেহেৰুৱাকৈ নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। এই জয়েৰে ভাৰতে শৃংখলাত ১-১ ফলাফলত সমতা স্থাপন কৰে। ভাৰতৰ হৈ অপেনাৰ স্মৃতি মান্ধানাই ৪০টা বলত ৫৪ আৰু শ্বেফালি বাৰ্মাই ২৫টা বলত ২৭ ৰাণ কৰি আউট নোহোৱাকৈ থাকে। ইয়াৰ পূৰ্বে দক্ষিণ আফ্ৰিকাই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ১৭ অভাৰ আৰু ১টা বলত আটাইকেইটা উইকেট হেৰুৱাই ৮৪ ৰাণ কৰে।

উল্লেখযোগ্য যে শৃংখলাৰ দ্বিতীয়খন খেল বৰষুণৰ বাবে পৰিত্যক্ত ঘোষণা কৰা হৈছিল। ভাৰতৰ পূজা বস্ত্ৰাকৰক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। খেলুৱৈগৰাকীক লগতে শৃংখলাত আগবঢ়োৱা উল্লেখনীয় প্ৰদৰ্শনৰ স্বীকৃতি স্বৰূপে প্লেয়াৰ অব দ্য চিৰিজ হিচাপেও ঘোষণা কৰা হয়।

০০০০০

স্মাৰ্ট চিটী গুৱাহাটীৰ উন্মুক্ত নলাত পৰি মানুহৰ মৃত্যু হৈ থকাৰ পাছতো চৰকাৰে বিহিত ব্যৱস্থা নোলোৱাৰ বাতৰি **দৈনিক অসম** কাকতে **উন্মুক্ত নলাই আৰু কিমানৰ ল'ব প্ৰাণ** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

শেহতীয়াকৈ ৰাজ্যৰ বিভিন্ন পৰ্যায়ত চৰকাৰী চাকৰি নিযুক্তিত স্থায়ী বাসিন্দাৰ প্ৰমাণ-পত্ৰ বাধ্যতামূলক নহয় বুলি উচ্চ শিক্ষা সঞ্চালকালয়ৰ নিৰ্দেশনাৰ বাতৰিটো **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত বিস্তৃতভাৱে প্ৰকাশ কৰিছে। একেটা বাতৰিকে **দৈনিক জনমভূমি** কাকতে **বহিঃৰাজ্যৰ প্ৰাৰ্থীয়ে পাব কলেজৰ চাকৰি** শিৰোনামেৰে প্ৰকাশ কৰিছে।

**দৈনিক অগ্ৰদূত** কাকতে নেচনেল ছেম্পল ছাৰ্ভে অব ইণ্ডিয়াই প্ৰকাশ কৰা দেশৰ জনতাৰ মাহিলী জনমূৰি ব্যয়ৰ হিচাপ তালিকাত খাদ্য আৰু চিকিৎসা অসমৰ জনগণে অধিক ধন ব্যয় কৰা বাতৰি প্ৰথম পৃষ্ঠাত তথ্য সহকাৰে প্ৰকাশ কৰিছে।

ৰাজ্যৰ বান পৰিস্থিতিৰ সমান্তৰালকৈ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বানত ১৩৮ বন্যপ্ৰাণীৰ মৃত্যু হয় উদ্বেগজনক খবৰ **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

বহাগ বিহুৰ পূৰ্বে ৰাজ্যৰ বিভিন্ন বিভাগত ৩৫ হাজাৰ নতুন নিযুক্তি হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰা বাতৰিটো **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

**অসমীয়া খবৰ** কাকতে প্ৰধানমন্ত্ৰী মোদীয়ে ৰাছিয়াৰ সৰ্বোচ্চ অসামৰিক সন্মান গ্ৰহণ কৰাৰ বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিকে দ্য চেণ্টিনেল কাকতে Modi receives Russia's highest civillian award, PM Modi dedicates it to people of India শিৰোনামেৰে প্ৰকাশ কৰিছে।

ৰাজ্যৰ বানত পুনৰ ৭জন লোকে প্ৰাণ হেৰুওৱাৰ বাতৰিটো দ্য আসাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বাতৰিটোত উল্লেখ কৰা অনুসৰি পৰৱৰ্তী তিনি দিনলৈ অসমত অৰেঞ্জ এলাৰ্ট জাৰি কৰা হৈছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে ঢকুৱাখনাৰ সুনীল গগৈৰ সন্ধান লাভ আৰক্ষীৰ, হিমাচল পৰা লণ্ডনলৈ প্ৰশংসিত অসমীয়া চলচ্চিত্ৰ দ্য লাষ্ট অনাৰ আৰু দৰমহা বাঢ়িব ৰাজ্যৰ মন্ত্ৰী-বিধায়কৰ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহ প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰ এক চমু অৱলোকন।

০০০০০

সমাপ্ত